৮। কাইলৈ বিচাৰিলে নহয় নে ?

পৰহিলৈ

পৰহিলৈ বিচাৰিলে নহয় নে ?

নহব

পৰহিলৈ বিচাৰিলে নহব নে ?

জানো

পৰহিলৈ বিচাৰিলে নহব জানো ?

৯। কেলেই নহব ?

কিয়

কিয় নহব ?

নহয়

কিয় নহয় ?

১০। এৰা, চাকৰ এটা বিচাৰি দিলে বৰ উপকাৰ কৰা হব।

হয়

এৰা, চাকৰ এটা বিচাৰি দিলে বৰ উপকাৰ কৰা হয়।

চাকৰনী

এৰা, চাকৰনী এজনী বিচাৰি দিলে বৰ উপকাৰ কৰা হয়।

Digitized by Google

In Assamese

১১। পৰিবাৰে তোমাক কোৱাৰ কথাকে কৈছিল।

ঘৈণীয়ে

ঘৈণীয়ে তোমাক কোৱাৰ কথাকে কৈছিল।

দিয়াৰ

ঘৈণীয়ে তোমাক দিয়াৰ কথাকে কৈছিল।

কলে

ঘৈণীয়ে তোমাক দিয়াৰ কথাকে কলে।

১২। তোমাৰ ওপৰত তেওঁৰ অগাধ বিশ্বাস।

ডেকাৰ

ডেকাৰ ওপৰত তেওঁৰ অগাধ বিশ্বাস।

বৰ'

ডেকাৰ ওপৰত তেওঁৰ বৰ বিশ্বাস।

গভীৰ

ডেকাৰ ওপৰত তেওঁৰ গভীৰ বিশ্বাস।

১৩। আমাৰ চুবুৰীতে এটা ভাল ল'ৰা আছিল।

ওচৰতে

আমাৰ ওচৰতে এটা ভাল ল'ৰা আছিল।

গাওঁতে

আমাৰ গাওঁতে এটা ভাল ল'ৰা আছিল।

ছোৱালী

আমাৰ গাওঁতে এজনী ভাল ছোৱালী আছিল।

১৪। ছালৰ পৰা পৰি তাৰ কোমৰ ভাগিল।

গছ

গছৰ পৰা পৰি তাৰ কোমৰ ভাগিল।

Digitized by Google

হাড়

গছৰ পৰা পৰি তাৰ হাড় ভাগিল।

ভৰি

গছৰ পৰা পৰি তাৰ ভৰি ভাগিল।

১৫। সি তেতিয়াৰ পৰা কাম বন কৰিব নোৱাৰা হ'ল।

কাম কাজ

সি তেতিয়াৰ পৰা কাম কাজ কৰিব নোৱাৰা হ'ল।

সেই সময়ৰ পৰা

সি সেই সময়ৰ পৰা কাম কাজ কৰিব নোৱাৰা হ'ল।

হৈছে

সি সেই সময়ৰ পৰা কাম কাজ কৰিব নোৱাৰা হৈছে।

১৬। মই যিমান সোনকালে পাৰোঁ অন্য এটা ল'ৰা যোগাৰ কৰি দিম।

আন

মই যিমান সোনকালে পাৰোঁ আন এটা ল'ৰা যোগাৰ কৰি দিম।

বন্দোবস্ত

মই যিমান সোনকালে পাৰোঁ আন এটা ল'ৰা বন্দোবস্ত কৰি দিম।

Expansion Drill

Adding confirmative নহয়।

১। মোৰ চাকৰনী ছোৱালীজনী পলাল।

মোৰ চাকৰনী ছোৱালীজনী পলাল নহয়।

Digitized by Google

In Assamese

২। মই যেতিয়া অফিচলৈ আহোঁ, তাই আছিল।
মই যেতিয়া অফিচলৈ আহোঁ, তাই আছিল নহয়।

৩। আজি মোৰ অলপ কাম আছে।
আজি মোৰ অলপ কাম আছে নহয়।

৪। মোৰ কামখিনি শেষ হলে আজিয়েই বিচাৰি যাম।
মোৰ কামখিনি শেষ হলে আজিয়েই বিচাৰি যাম নহয়।

৫। সেই কথা মই বুজোঁ।
সেই কথা মই বুজোঁ নহয়।

৬। মই ল'ৰা এটা বিচাৰি আনিম।
মই ল'ৰা এটা বিচাৰি আনিম নহয়।

Addition of surprise marking দেখোন।

১। মোৰ চাকৰ ল'ৰাটো পলাল।
মোৰ চাকৰ ল'ৰাটো পলাল দেখোন।

২। মই যেতিয়া আফচলৈ যাওঁ, সি আছিল।
মই যেতিয়া অফিচলৈ যাওঁ, সি আছিল দেখোন।

৩। আপোনাৰ ওপৰত তেওঁৰ অগাধ বিশ্বাস।
আপোনাৰ ওপৰত তেওঁৰ অগাধ বিশ্বাস দেখোন।

৪। পৰিবাৰে তোমাৰ কথাকে কৈছিল।
পৰিবাৰে তোমাৰ কথাকে কৈছিল দেখোন।

Variation Drill

১। মই যেতিয়া অফিচলৈ আহোঁ, তাই আছিল।
মই অফিচলৈ অহা সময়ত তাই আছিল।

Digitized by Google

২। মই যেতিয়া উভতি যাওঁ, তাই নাই ।
মই উভতি যোৱা সময়ত তাই নাই ।

৩। তোমাৰ যেতিয়াই সুবিধা হয়, বিচাৰি দিবা ।
তোমাৰ সুবিধা হলে বিচাৰি দিবা ।

৪। ছালৰ পৰা পৰি তাৰ কোমৰ ভাগিল ।
ছালৰ পৰা পৰাত তাৰ কোমৰ ভাগিল ।

৫। মই যিমান সোনকালে পাৰোঁ অন্য এটা ল'ৰা যোগাৰ কৰি দিম ।
মই যিমান সোনকালে পাৰি অন্য এটা ল'ৰা যোগাৰ কৰি দিম ।

৬। তাই যেতিয়া পলাল আপোনাৰ চাকৰ এটা নহলেই নহয় ।
তাই পলাল যেতিয়া আপোনাৰ চাকৰ এটা নহলেই নহয় ।

Transformation Drill

১। হেৰা ডেকা, শুনিছা নে ?
হেৰা ডেকা, শুনা নাই নে ?

২। তুমি অন্য এটা বিচাৰি দিব নোৱাৰা নে ?
তুমি অন্য এটা বিচাৰি দিব পাৰা নে ?

৩। যেতিয়া মই অফিচলৈ আহোঁ, তাই আছিল ।
যেতিয়া মই অফিচলৈ আহোঁ, তাই নাছিল ।

৪। ঘূৰি গৈ দেখোঁ, তাই নাই ।
ঘূৰি গৈ দেখোঁ, তাই আছে ।

Digitized by Google

৫। কাইলৈ বিচাৰিলে নহয় নে ?
কাইলৈ বিচাৰিলে হব নে ?

৬। কেলেই নহব ?
কেলেই হব ?

৭। সেইকথা মই বুজোঁ।
সেইকথা মই নুবুজোঁ।

৮। চাকৰ এটা বিচাৰি দিলে উপকাৰ কৰা হব।
চাকৰ এটা বিচাৰি দিলেও উপকাৰ কৰা নহব।

৯। আপোনাক কোৱাৰ কথা কৈছিল।
আপোনাক কোৱাৰ কথা কোৱা নাছিল।

১০। আমাৰ চুবুৰীত এটা ভাল ল'ৰা আছিল।
আমাৰ চুবুৰীত এটা ভাল ল'ৰা আছে।

১১। ছালৰ পৰা পৰি তাৰ কোমৰ ভাগিল।
ছালৰ পৰা পৰিও তাৰ কোমৰ নাভাগিল।

১২। তেতিয়াৰ পৰা সি কাম বন কৰিব নোৱাৰা হ'ল।
তেতিয়াৰ পৰা সি কাম বন কৰিব পৰা হ'ল।

১৩। মই অন্য এটা ল'ৰা যোগাৰ কৰি দিম।
মই অন্য এটা ল'ৰা যোগাৰ কৰি নিদিওঁ।

EXERCISE

1. Change the tense of the underlined verbs into past/future.

(ক) মই গৈ দেখোঁ, তাই নাই।

Digitized by Google

(খ) সেইকথা মই বুজোঁ।

(গ) মই যেনে তেনে ল'ৰা এটা বিচাৰি আনিম।

(ঘ) কাইলৈ বিচাৰিলে নহয় নে ?

(ঙ) মই যেনেতেনে এটা ল'ৰা বিচাৰি আনিম।

(চ) মই আফিচলৈ যোৱাৰ পাছৰ পৰা সি নাই।

(ছ) পূজাৰ বন্ধত আপুনি ক্লাচ লব নে ?

2 Fill in the blanks :

(ক) তোমাৰ যেতিয়াই সুবিধা — —, বিচাৰি দিবা।

(খ) ঘূৰি — —, দেখোঁ, সি নাই।

(গ) আপোনাৰ চাকৰ এটা নহলেই — —।

(ঘ) মই যেনে — -- চাকৰ এটা বিচাৰি আনিম।

(ঙ) আপোনাৰ ওপৰত তেওঁৰ — — বিশ্বাস।

(চ) আমাৰ — — এটা ভাল ল'ৰা আছিল।

(ছ) যোৱামাহত — — পৰি তাৰ — — ভাগিল।

(জ) সি এতিয়া কাম কৰিব — — হ'ল।

(ঝ) মই সোনকালে এটা ল'ৰা — — কৰি দিম।

(ঞ) মোৰ কামখিনি শেষ হলে আজিয়েই — — যাম।

3. Negate the following :

(ক) ছোৱালীজনী পলাল।

(খ) কালি সি আছিল।

(গ) মই বিচাৰিম।

Digitized by Google

(ঘ) তুমি বিচাৰি দিবা।

(ঙ) মই ল'ৰা এটা বিচাৰি আনিম।

(চ) বৰ উপকাৰ কৰা হব।

(ছ) আমাৰ চুবুৰীত এটা ভাল ল'ৰা আছিল।

(ঙ) মই এটা বিচাৰি দিম।

4. Change into affirmative :

(ক) যোৱাকালিৰ পৰা তাই নাই ।

(খ) চাকৰ এটা নহলে নহব

(গ) আপোনাৰ ওপৰত তেওঁৰ বিশ্বাস নাই।

(ঘ) তেওঁ আজি ঘৰলৈ নগলেই নহয়।

(ঙ) সি কাম কাজ কৰিব নোৱাৰা হ'ল।

Vocabulary

চাকৰনী	'maid servant'
বিচাৰিম	'(I) shall search)
সুবিধা	'convenience'
যেতিয়া	'when'
কামখিনি	'the work'
পলাল	'escaped, led away'
যেনে তেনে	'at any cost'
কোৱাৰ	'of telling'
কথা	'words, fact'
উপকাৰ	'help'
অগাধ	'deep'

Digitized by Google

বিশ্বাস	'faith'
চুবুৰী	'in the neighbourhood'
ছাল	'roof'
কোমৰ	'waist'
কাম বন	'work'
যিমান	'as much'
সোনকালে	'early, soon'
যোগাৰ	'arrangement'

Grammatical Notes

1. Complex sentences with যেতিয়া in the subordinate clause is introduced here in this lesson.

2. When the finate verb in the principal clause is in the future tense, the verb in the subordinate clause shall be in the present indefinate; it need not be in the future Example :

মই যদি কওঁ তেওঁ শুনিব নে ?
তুমি যেতিয়াই আহা তেতিয়াই পাবা ।
আপুনি যেতিয়া যায়, মোক কব ।

———

Digitized by Google

Unit XV : Lesson—75

Servant's Daily Work

কেইদিনমান পাছতে ডেকাই এটা ল'ৰা বিচাৰি আনিলে আৰু হাজৰিকাক চমজাই দিলে। ল'ৰাটো তেনেই কমবয়সীয়া আৰু মৰম লগা। সি লিখাপঢ়াও অলপ অলপ জানে আৰু সি বজাৰ সমাৰ কৰাতো পাৰেক। ল'ৰাটো আনিদিয়া বাবে মিচেচ হাজৰিকা বৰ সন্তুষ্ট হ'ল আৰু ডেকাক ভালকৈ চাহপানী খুৱাই পঠালে। ল'ৰা-টোৱে চোলাপেণ্ট সলালে আৰু অলপ পাছতে কামত লাগি গ'ল। সি মিচেচ হাজৰিকাক খুৰীমা বুলি আৰু বুবুলক ককাইদেউ বুলি মাতিবলৈ ধৰিলে।

After some days Mr Deka found out a boy and handed him over to Mr. Hazarika. The boy is very tender-aged and lovely. He knows reading and writing a little and he is expert in shopping etc. Mrs. Hazarika has been very pleased for having brought the boy and entertained Mr. Deka with tea etc. The boy changed his garment and got into work after a while He used to call Mrs. Hazarika as aunt and Bubul as 'dada'.

সি লাহে লাহে জনাবুজা হ'ল। ঘৰৰ সকলো কথাকে সম্ভালি ললে। পুৱাই উঠি নোকোৱাকৈয়ে ঘৰ সৰা, বাচন মজা আদি কাম কৰা হ'ল। গোহালিৰ

Gradually he became well-accustomed. He controlled everything in the house. Having got up in the morn-

Digitized by Google

গোবৰ পেলোৱা, গাই খীৰোৱা, গৰু এৰাল দিয়া আদিও নিজমনে কৰা হ'ল। আবেলি কিনা কুটা কৰা, গৰু ছাগলী বন্ধা, শাক পাচলি কুটি দিয়া, ল'ৰা ছোৱালীক ভৰি হাত ধুৱাই দিয়া আদি সকলো কাম নিয়াৰিকৈ কৰিব জনা হ'ল ঘৰৰ প্ৰত্যেকে তাৰ কথা আৰু কামত মুগ্ধ হ'ল।

ing without being instructed he used to do works like sweeping cleaning the utensils etc.. Removing the cow-dung from the cowshed. milking the cow, looking after the cow etc. he used to do for himself Buying in the afternoon, tieing of the cow, cutting of the vegetables, washing the hands & feet of the children etc—all the works he could do neatly. Everyone of the house was charmed by his words and actions.

Transformation Drill

(a) To simple sentence with conjunctive -ই।

১। কেইদিনমানৰ পাছত ডেকাই এটা ল'ৰা বিচাৰি আনিলে আৰু হাজৰিকাক চমজাই দিলে।

কেইদিনমানৰ পাছতে ডেকাই এটা ল'ৰা আনি হাজৰিকাক চমজাই দিলে।

Digitized by Google

২। সি লিখা পঢ়া শিকিছে আৰু বজাৰ কৰিবলৈ জনা হৈছে।

সি লিখা পঢ়া শিকি বজাৰ কৰিবলৈ জনা হৈছে।

৩। ল'ৰাটো আনিদিয়া বাবে মিচেচ হাজৰিকা বৰ সন্তুষ্ট হ'ল আৰু ডেকাক ভালকৈ চাহপানী খুৱাই পঠালে।

ল'ৰাটো আনিদিয়া বাবে মিচেচ হাজৰিকা বৰ সন্তুষ্ট হৈ ডেকাক ভালকৈ চাহপানী খুৱাই পঠালে।

৪। ল'ৰাটোৱে চোলাপেণ্ট সলালে আৰু অলপ পাছতে কামত লাগি গ'ল।

ল'ৰাটোৱে চোলাপেণ্ট সলাই অলপ পাছতে কামত লাগি গ'ল।

(b) Simple sentences with infinitives :

১। ডেকাই এটা ল'ৰা বিচাৰি আনিলে আৰু হাজৰিকাক চমজাই দিলে।

হাজৰিকাক দিবলৈ ডেকাই এটা ল'ৰা বিচাৰি আনিলে।

২। ল'ৰাটোৱে চোলাপেণ্ট সলালে আৰু অলপ পাছতে কামত লাগিল।

ল'ৰাটোৱে কামত লাগিবলৈ চোলাপেণ্ট সলালে।

৩। মিচেচ চৌধুৰী সাজু হ'ল আৰু ল'ৰা ছোৱালীক চাহপানী খুৱালে।

ল'ৰা ছোৱালীক চাহপানী খুৱাবলৈ মিচেচ চৌধুৰী সাজু হ'ল।

(c) Simple sentences with adjective clause :

১। ল'ৰাটো তেনেই কম বয়সীয়া আৰু সি মৰম লগা।

কম বয়সীয়া ল'ৰাটো তেনেই মৰম লগা।

২। ল'ৰাটোৱে লিখা পঢ়া অলপ অলপ জানে আৰু সি বজাৰ সমাৰ কৰাতো পাকৈত।

বজাৰ সমাৰ কৰাতো পাকৈত ল'ৰাটোৱে পঢ়া শুনাও অলপ অলপ জানে।

Digitized by Google

Question-Response Drill

প্ৰশ্ন— ডেকাই কেতিয়া এটা ল'ৰা আনিলে ?

উত্তৰ— ডেকাই কেইদিনমান পাছতে এটা ল'ৰা আনিলে।

প্ৰশ্ন— ডেকাই কাৰ কাৰণে ল'ৰাটো আনিলে ?

উত্তৰ— ডেকাই হাজৰিকাৰ কাৰণে ল'ৰাটো আনিলে।

প্ৰশ্ন — হাজৰিকাৰ কিয় ল'ৰাৰ দৰ্কাৰ হ'ল ?

উত্তৰ— কাৰণ, হাজৰিকাৰ চাকৰনী ছোৱালীজনী পলাল।

প্ৰশ্ন— ল'ৰাটোৰ বয়স কিমান ?

উত্তৰ— ল'ৰাটো তেনেই কম বয়সীয়া।

প্ৰশ্ন— সি পঢ়া শুনা জানে নে ?

উত্তৰ— সি পঢ়া শুনা অলপ অলপ জানে।

প্ৰশ্ন — সি বজাৰ সমাৰ কৰিবলৈ জানে নে ?

উত্তৰ— হয়, সি বজাৰ সমাৰ কৰিবলৈ জানে।

প্ৰশ্ন — মিচেচ হাজৰিকাই ডেকাক কেলেই চাহপানী খুৱালে ?

উত্তৰ — চাকৰ এটা আনি দিয়া বাবে মিচেচ হাজৰিকাই ডেকাক চাহপানী খুৱালে।

প্ৰশ্ন— ল'ৰাটো কাম কাজ কৰাত পাকৈত নে ?

উত্তৰ— হয়, ল'ৰাটো কাম কাজ কৰাত পাকৈত।

প্ৰশ্ন— সি কাক কি কি বুলি মাতে ?

উত্তৰ— সি মিচেচ হাজৰিকাক খুৰীমা আৰু বুবুলক ককাইদেউ বুলি মাতে।

Digitized by Google

Integration Drill

(ক) সি লালে লাহে জনা বুজা হ'ল। ঘৰৰ সকলো কথাকে চম্ভালি ললে।

সি লাহে লাহে জনাবুজা হৈ ঘৰৰ সকলো কথাকে চম্ভালি ললে।

(খ) সি পুৱাই উঠে। নোকোৱাকৈয়ে ঘৰসৰা, বাচন মজা আদি কৰে।

সি পুৱাই উঠি নোকোৱাকৈয়ে ঘৰসৰা, বাচনমজা আদি কৰে।

(গ) সি গোহালিৰ গোবৰ পেলায়। গাই খীৰায়। আৰু এৰাল দিয়ে।

সি গোহালিৰ গোবৰ পেলাই, গাই খীৰাই এৰাল দিয়ে।

(ঘ) সি লৰা ছোৱালীক ভাৰিহাত ধুৱাই দিয়ে। গধূলি শাক পাচলি কুটি দিয়ে।

সি লৰা ছোৱালী ভাৰিহাত ধুৱাই গধূলি শাক পাচলি কুটি দিয়ে।

Vocabulary

পাছত	'after'
বিচাৰ আনিলে	'have brought'
চমজাই দিলে	'handed over'
কম বয়সীয়া	'tender-aged'
মৰমলগা	'lovely'
লিখা পঢ়া	'writing & reading'
অলপ অলপ	'a little'
বজাৰ সমাৰ কৰা	'shopping etc.'
পাকৈত	'expert'
সন্তুষ্ট	'satisfied, happy'
চাহপানী	'tea etc.'
সলালে	'changed'

Digitized by Google

খুৰীমা	'aunt'
জনা বুজা	'one who knows & understands'
চম্ভালি	'controlling'
নোকোৱাকৈয়ে	'having been not told'
ঘৰ সৰা	'sweeping the floor'
বাচন মজা	'cleaning the utensils'
গোহালি	'cow-shed'
গোবৰ	'cow-dung'
গাই খীৰোৱা	'milking'
এবাল দিয়া	'To tie cow in the field by a long rope for grazing.'
নিজ মনে	'by himself'
কিনা কুটা কৰা	'buying etc.'
গৰু ছাগলী	'cattle'
কুটি দিয়া	'to cut to small pieces'
ধুৱাই দিয়া	'to get washed'
সকলো কাম	'all works'
নিয়াৰিকৈ	'neatly'
মুগ্ধ	'charmed'

Grammatical Notes

1. 'আৰু' is the conjunction and it conjoins two sentences.

2. Verbal noun is constructed by adding -আ to the verbstem. Case suffixes etc. could be added to the verbal noun. eg:

Digitized by Google

কৰ + আ = কৰা + locative -ত + ও = কৰাতো

পেলা + আ = পেলোৱা + locative -ত = পেলোৱাত।

3. Note the following typical constructions :

সি বুজা হ'ল।

সি জনা হ'ল।

সি কাম কৰা হ'ল।

সি কথা শুশুনা হ'ল।

In such constructions, the verbal nouns function as the complement to the verb হ'ল, and the above sentences carry the senses like 'he comes to a stage of understanding,' 'he comes to a stage of knowing,' 'he comes to a stage of doing,' 'he comes to a stage of not listening' respectively.

Digitized by Google

Unit XV : Lesson –76

A Gold-chain Lost

ডেকাই আনিদিয়া ল'ৰাটো বৰ নিৰ্জ্জ আৰু বিশ্বাসী। মাজে মাজে তাক ঘৰত এৰি আমি আটায়ে বাহিৰ ওলাওঁ। লোকে কয় তাক এনেকৈ বিশ্বাস কৰাটো উচিত হোৱা নাই। ল'ৰাহঁতৰ মাকেও কয়, তাক এনেকৈ এৰি দিয়াটো ঠিক হোৱা নাই। এই বিলাক কথালৈ মই কাণ নিদিওঁ।

The servant brought by Mr. Deka is very humble and faithful. At times we all go out leaving him in the house. People say that it has not been proper to believe him in this way. Children's mother also says, it has not been proper to leave him in this way. I donot pay attention to such things.

এদিন মীনুৰ সোণৰ হাৰ এডাল হেৰাল। সকলোৱে ল'ৰাটোক সন্দেহ কৰিলে। মই তেওঁলোকক বুজালোঁ যে তাক এনেদৰে সন্দেহ কৰাটো অন্যায়।

One day one of Minu's gold-chains was lost. All suspected the boy I made them understand that to suspect him in this way was not just.

আন এদিন ৰিমজিমৰ পাথৰ লগোৱা আঙুঠি এটা নোহোৱা হ'ল। গোটেই ঘৰখন চলাথ কৰা হ'ল। কিন্তু

On another day one of Rimjim's rings with (a) stone fixed disappeared. The

Digitized by Google

আঙঠিটো আৰু উলিয়াব পৰা নগ'ল।	whole of the house was searched. But the ring could not be found out.
কেই সপ্তাহমান পাছত হাৰডাল এন্দুৰৰ গাঁতত পোৱা গ'ল। তেতিয়াহে সকলোৰে সন্দেহ আঁতৰিল। এইবাৰ সকলোৱে মিলি আঙঠিটো বিচাৰিলে ঘৰৰ আটালত নিগনিয়ে কুটা কাপোৰৰ মাজত আঙঠিটো পোৱা গ'ল।	After few weeks the chain has been found in the hole of a rat. Then only everyone's doubt disappeared. This time all unitedly searched the ring. The ring was found amidst the cut-pieces of clothes on the ceiling.

Substitution Drill

১। ডেকাই আনিদিয়া, ল'ৰাটো বৰ নিৰ্জ্জু আৰু বিশ্বাসী।

কমবয়সীয়া

ডেকাই আনিদিয়া ল'ৰাটো বৰ কমবয়সীয়া আৰু বিশ্বাসী।

মৰমলগা

ডেকাই আনিদিয়া ল'ৰাটো বৰ মৰমলগা আৰু বিশ্বাসী।

২। মাজে মাজে তাক ঘৰত এৰি আমি আটায়ে বাহিৰ ওলাওঁ।

সকলোৱে

মাজে মাজে তাক ঘৰত এৰি আমি সকলোৱে বাহিৰ ওলাওঁ।

কেতিয়াবা

কেতিয়াবা তাক ঘৰত এৰি আমি সকলোৱে বাহিৰ ওলাওঁ।

Digitized by Google

ফুৰিবলৈ যাওঁ

কেতিয়াবা তাক ঘৰত এৰি আমি সকলোৱে ফুৰিবলৈ যাওঁ।

চাকৰ ল'ৰাটোক

কেতিয়াবা চাকৰ ল'ৰাটোক ঘৰত এৰি আমি সকলোৱে ফুৰিবলৈ যাওঁ

৩। লোকে কয় তাক এনেকৈ বিশ্বাস কৰাটো উচিত হোৱা নাই।

সকলোৱে

সকলোৱে কয় তাক এনেকৈ বিশ্বাস কৰাটো উচিত হোৱা নাই।

এনেদৰে

সকলোৱে কয় তাক এনেদৰে বিশ্বাস কৰাটো উচিত হোৱা নাই।

ভাল হোৱা

সকলোৱে কয় তাক এনেদৰে বিশ্বাস কৰাটো ভাল হোৱা নাই।

নকৰাটো

সকলোৱে কয় তাক এনেদৰে বিশ্বাস নকৰাটো ভাল হোৱা নাই।

কোনেও

কোনেও নকয় তাক এনেদৰে বিশ্বাস নকৰাটো ভাল হোৱা নাই।

৪। পৰিবাৰেও কয়, তাক এনেদৰে এৰি দিয়াটো ঠিক হোৱা নাই।

ল'ৰাইতৰ মাক

ল'ৰাইতৰ মাকেও কয়, তাক এনেদৰে এৰি দিয়াটো ঠিক হোৱা নাই।

নিদিয়াটো

ল'ৰাইতৰ মাকেও কয়, তাক এনেদৰে এৰি নিদিয়াটো ঠিক হোৱা নাই।

৫। এই বিলাক কথালৈ মই কাণ নিদিওঁ।

এনে

এনে বিলাক কথালৈ মই কাণ নিদিওঁ।

Digitized by Google

দাসে

এনে বিলাক কথালৈ দাসে কাণ নিদিয়ে।

মন

এনে বিলাক কথালৈ দাসে মন নিদিয়ে।

৬। এদিন মীনুৰ সোণৰ হাৰ এডাল হেৰাল।

আমাৰ

এদিন আমাৰ সোণৰ হাৰ এডাল হেৰাল।

দুডাল

এদিন আমাৰ সোণৰ হাৰ দুডাল হেৰাল।

৭। সকলোৱে ল'ৰাটোক সন্দেহ কৰিলে।

আটায়ে

আটায়ে ল'ৰাটোক সন্দেহ কৰিলে।

কোনেও

কোনেও ল'ৰাটোক সন্দেহ নকৰিলে।

৮। মই তেওঁলোকক বুজালোঁ যে তাক এনেদৰে সন্দেহ কৰাটো অন্যায়।

আটাইকে

মই আটাইকে বুজালোঁ যে তাক এনেদৰে সন্দেহ কৰাটো অন্যায়।

কলোঁ

মই আটাইকে কলোঁ যে তাক এনেদৰে সন্দেহ কৰাটো অন্যায়।

ইমান

মই আটাইকে বুজালোঁ যে তাক ইমান সন্দেহ কৰাটো অন্যায়।

৯। কেই সপ্তাহমান পাছত হাৰডাল এন্দুৰৰ গাঁতত পোৱা গ'ল।

কেই দিনমান

কেই দিনমান পাছত হাৰডাল এন্দুৰৰ গাঁতত পোৱা গ'ল।

Digitized by Google

ওলাল

কেই দিনমান পাছত হাৰডাল এন্দুৰৰ গাঁতত ওলাল।

১০। তেতিয়াহে সকলোৰে সন্দেহ আঁতৰিল।

দূৰ হ'ল

তেতিয়াহে সকলোৰে সন্দেহ দূৰ হ'ল।

নোহোৱা হ'ল

তেতিয়াহে সকলোৰে সন্দেহ নোহোৱা হ'ল।

তেতিয়াৰ পৰা

তেতিয়াৰ পৰা সকলোৰে সন্দেহ নোহোৱা হ'ল।

১১। ৰিমজিমৰ পাথৰ লগোৱা আঙঠি এটা নোহোৱা হ'ল।

হাৰ

ৰিমজিমৰ পাথৰ লগোৱা হাৰ এডাল নোহোৱা হ'ল।

হেৰাল

ৰিমজিমৰ পাথৰ লগোৱা হাৰ এডাল হেৰাল।

আমাৰ

আমাৰ পাথৰ লগোৱা হাৰ এডাল হেৰাল।

১২। গোটেই ঘৰখন চলাথ কৰা হ'ল।

কোঠাটো

গোটেই কোঠাটো চলাথ কৰা হ'ল।

গোটেইখন

গোটেইখন চলাথ কৰা হ'ল।

তন্নতন্নকৈ বিচৰা

গোটেইখন তন্নতন্নকৈ বিচৰা হ'ল।

Digitized by Google

In Assamese

১৩। কিন্তু আঙুঠিটো আৰু উলিয়াব পৰা নগ'ল।

হাৰডাল

কিন্তু হাৰডাল আৰু উলিয়াব পৰা নগ'ল।

বিচাৰি পোৱা

কিন্তু হাৰডাল আৰু বিচাৰি পোৱা নগ'ল।

১৪। এইবাৰ সকলোৰে মিলি আঙুঠিটো বিচাৰিলে।

আটায়ে

এইবাৰ আটায়ে মিলি আঙুঠিটো বিচাৰিলে।

লগ লাগি

এইবাৰ আটায়ে লগ লাগি আঙুঠিটো বিচাৰিলে।

হাৰডাল

এইবাৰ আটায়ে লগ লাগি হাৰডাল বিচাৰিলে।

১৫। ঘৰৰ আতালত নিগনিয়ে কুটা কাপোৰৰ মাজত আঙুঠিটো পোৱা গ'ল।

ছালত

ঘৰৰ ছালত নিগনিয়ে কুটা কাপোৰৰ মাজত আঙুঠিটো পোৱা গ'ল।

উঁয়ে কুটা

ঘৰৰ ছালত উঁয়ে কুটা কাপোৰৰ মাজত আঙুঠিটো পোৱা গ'ল।

কাগজ

ঘৰৰ ছালত উঁয়ে কুটা কাগজৰ মাজত আঙুঠিটো পোৱা গ'ল।

হাৰডাল

ঘৰৰ ছালত উঁয়ে কুটা কাগজৰ মাজত হাৰডাল পোৱা গ'ল।

ওলাল

ঘৰৰ ছালত উঁয়ে কুটা কাগজৰ মাজত হাৰডাল ওলাল।

Digitized by Google

Transformation Drill

(a) To complex sentence

১। ডেকাই আনিদিয়া ল'ৰাটো বৰ নিৰ্জু আৰু বিশ্বাসী।
ডেকাই যিটো ল'ৰা আনিদিলে, সি বৰ নিৰ্জু আৰু বিশ্বাসী।

২। তাক এনেকৈ বিশ্বাস কৰাটো উচিত হোৱা নাই।
তাক যে এনেকৈ বিশ্বাস কৰিছোঁ সেইটো উচিত হোৱা নাই।

৩। তাক এনেকৈ এৰি দিয়াটো ঠিক হোৱা নাই।
তাক যে এনেকৈ এৰি দিছোঁ সেইটো ঠিক হোৱা নাই।

৪। হেৰোৱা হাৰডাল এন্দুৰৰ গাঁতত পোৱা গ'ল।
যিডাল হাৰ হেৰাই'ছিল সেইডাল এন্দুৰৰ গাঁতত পোৱা গ'ল।

(b) To Negative sentence

১। ডেকাই আনিদিয়া ল'ৰাটো বৰ নিৰ্জু আৰু বিশ্বাসী।
ডেকাই আনিদিয়া ল'ৰাটো সিমান নিৰ্জু আৰু বিশ্বাসী নহয়।

২। মাজে মাজে তাক ঘৰত এৰি আমি আটায়ে বাহিৰ ওলাওঁ।
কেতিয়াও তাক ঘৰত এৰি আমি আটায়ে বাহিৰ নোলাওঁ।

৩। সকলোৱে কয়, তাক এনেকৈ বিশ্বাস কৰাটো উচিত হোৱা নাই।
কোনেও নকয়, তাক এনেকৈ বিশ্বাস কৰাটো উচিত হোৱা নাই।

৪। কেইসপ্তাহমান পাছত হাৰডাল এন্দুৰৰ গাঁতত পোৱা গ'ল।
কেইসপ্তাহমান পাছতো হাৰডাল এন্দুৰৰ গাঁতত পোৱা নগ'ল।

Digitized by Google

৫। তেতিয়াহে সকলোৰে সন্দেহ আঁতৰিল।

তেতিয়াও কাৰো সন্দেহ নাঁতৰিল।

৬। সেইবাৰ সকলোৱে আঙুঠিটো বিচাৰিলে।

এইবাৰ কোনেও আঙুঠিটো নিবিচাৰিলে।

৭। ঘৰৰ আতালত নিগনিয়ে কুটা কাপোৰৰ মাজত আঙুঠিটো পোৱা গ'ল।

ঘৰৰ আতালত নিগনিয়ে কুটা কাপোৰৰ মাজত আঙুঠিটো পোৱা নগ'ল।

Question-Response Drill

প্ৰশ্ন— ডেকাই আনিদিয়া ল'ৰাটো কেনে ?

উত্তৰ— ডেকাই আনিদিয় ল'ৰাটো নিৰ্জ, আৰু বিশ্বাসী।

প্ৰশ্ন— তাত বিশ্বাস কৰা সম্পৰ্কে লোকে কি কয় ?

উত্তৰ — লোকে কয় যে তাক এনেকৈ বিশ্বাস কৰাটো উচিত হোৱা নাই।

প্ৰশ্ন— ঘৈণীয়েকে এই সম্পৰ্কে কি কয় ?

উত্তৰ— ঘৈণীয়েকে কয় যে তাক এনেকৈ এৰি দিয়াটো ঠিক হোৱা নাই।

প্ৰশ্ন — মীনুৰ হাৰডাল কি হ'ল ?

উত্তৰ— মীনুৰ হাৰডাল হেৰাল।

প্ৰশ্ন— হাৰডাল শেষত পোৱা গ'ল নে ?

উত্তৰ— হয়, হাৰডাল শেষত পোৱা গ'ল।

প্ৰশ্ন— ক'ত পোৱা গ'ল ?

উত্তৰ— হাৰডাল শেষত এন্দুৰৰ গাঁতত পোৱা গ'ল।

Digitized by Google

প্ৰশ্ন— ৰিমজিমৰ আঙুঠিটো কেনে আছিল ?

উত্তৰ— ৰিমজিমৰ আঙুঠিটো পাথৰ লগোৱা আছিল ।

প্ৰশ্ন— আঙুঠিটো কি হ'ল ?

উত্তৰ— আঙুঠিটোও নোহোৱা হ'ল ।

প্ৰশ্ন— আঙুঠিটো শেষত ক'ত পালে ?

উত্তৰ— আঙুঠিটো শেষত ঘৰৰ আতালত নিগনিয়ে কুটা কাপোৰৰ মাজত পোৱা গ'ল ।

EXERCISE

1. Fill in the blanks :

(ক) ডেকাই অনা ল'ৰাটো বৰ — — আৰু — — ।

(খ) তাক এনেকৈ বিশ্বাস — — উচিত হোৱা নাই ।

(গ) এইবিলাক কথালৈ মই কাণ — — ।

(ঘ) গোটেই ঘৰখন — — ক'ৰা হ'ল ।

(ঙ) এদিন ৰিমজিমৰ — — আঙুঠিটো — — হ'ল ।

(চ) নিগানয়ে — — কাপোৰৰ মাজত পোৱা গ'ল ।

(ছ) এইবাৰ সকলোৱে — — আঙুঠিটো বিচাৰিলে ।

2. Combine the sentences as in the model :

Model : ডেকাই এটা ল'ৰা আনিদিলে । সি নিৰ্জু > ডেকাই আনিদিয়া ল'ৰাটো নিৰ্জু ।

(ক) চৌধুৰীয়ে এখন কাপোৰ কিনিলে । সেইখন দামী ।

(খ) মালিকে এখন নাটক লিখিছে । সেইখনে একাডেমী পুৰস্কাৰ পাইছে ।

(গ) মীনুৰ হাৰডাল হেৰাল । সেইডাল এন্দুৰৰ গাঁতত পোৱা গ'ল ।

Digitized by Google

(ঘ) আঙুঠিটো পাথৰ লগোৱা। সেইটো বিমজিমৰ।

(ঙ) তাইৰ আঙুঠিটো হেৰাল। সেইটো আতালত ওলাল।

3. Replace the underlined phrase by one word :

(ক) তাক বিশ্বাস কৰাটো উচিত হোৱা নাই ;

(খ) মীনুৰ হাৰ এডাল নোহোৱা হ'ল।

(গ) আঙুঠিটো আৰু উলিয়াব পৰা নগ'ল ;

(ঘ) হাৰডাল এন্দুৰৰ গাঁতত পোৱা গ'ল ·

(ঙ) তাক এনেকৈ এৰি দিয়াটো ঠিক হোৱা নাই।

(চ) ডেকাই আনিদিয়া ল'ৰাটো বিশ্বাসী।

4. Give negative reply :

(ক) ডেকাই অনা ল'ৰাটো বিশ্বাসী নে ?

(খ) তাক ঘৰত এৰি আটায়ে বাহিৰলৈ যায় নে ?

(গ) তাক এনেকৈ এৰি দিয়াটো ঠিক হৈছে নে ?

(ঘ) মীনুৰ সোণৰ হাৰডাল পালে নে ?

(ঙ) বিমজিমৰ আঙুঠিটো এন্দুৰে নিছে নেকি ?

5. Express the content of each sentence in two simple sentences :

(ক) ডেকাই আনিদিয়া ল'ৰাটো মৰমলগা।

(খ) দেউতাই দিয়া চিঠিখন দুখলগা।

Digitized by Google

(গ) নিগনিয়ে কুটা কাপোৰৰ মাজত আঙুঠিটো পোৱা গ'ল।

(ঘ) তাইৰ পাথৰ লগোৱা আঙুঠিটো হেৰাল।

(ঙ) চলাথ কৰা ঘৰখনত আঙুঠিটো পোৱা নগ'ল।

Vocabulary

নিৰ্জ্জু	'humble'
বাহিৰ	'outside'
এনেকৈ	'in this way'
ঠিক	'accurate, proper'
কাণ নিদিওঁ	'I don't pay attention'
সোণৰ হাৰ	'golden chain'
সন্দেহ	'doubt'
এন্দুৰ	'rat'
নিগনি	'mouse'
বিশ্বাসী	'faithful'
লোক	'people'
উচিত	'proper'
কাণ	'ear'
পাথৰ লগোৱা আঙঠি, আঙুঠি	'stone-fixed ring'
হেৰাল	'lost'
অন্যায়	'inproper'

Digitized by Google

In Assamese

গাঁত	'hole'
আঁতৰিল	'disappeared'
চলাথ	'having searched minutely'
কুটা	'having cut into small pieces'
আটাল	'ceiling'

———

Digitized by Google

Unit XV : Lesson—77

Asking for a Loan

গ্ৰাহক : আপুনি নিজে মাল জুখিছে যে ! অমৃত কলৈ গ'ল ?

Customer : You are weighing the provision yourself ! Where has Amrit gone ?

মহাজন : নকব আৰু । কথা এষাৰ আছে নহয় বোলে বিপদ অকলে নাহে । মোৰ তলে গোবধ ওপৰে ব্ৰহ্মবধ ।

Proprietor : Don't tell There is a saying that danger does not come alone. (Danger) of cow killing is above my head and Brahmin killing below my feet.

গ্ৰাহক : কি হ'ল অলপ তালকৈ কওক চোন ।

Customer : Tell me in detail what happened !

মহাজন : যোৱা পৰহিৰ কথা । শুনিলোঁ, মোৰ কেৰাচিনৰ পাৰ্মিট বাতিল কৰিছে । মই চাপ্লাই অফিচলৈ ওলাইছোঁ । দহ বাজোঁ বাজোঁ । এনেতে এখন টেলিগ্ৰাম পালোঁ । চাকৰ ল'ৰাটোৰ ঘৰৰ পৰা

Proprietor : It is a matter of the day before yesterday. I heard, my permit for kerosine had been cancelled. I was ready for going to the supply office. It (was)

Digitized by Google

দিয়া । আজি কেই দিনমানৰ পৰা তাৰ বাপেকৰ অসুখ। কালিৰ পৰা বেছি হৈছে।'এতিয়া মৰোঁ মৰোঁ । মই চিন্তাত পৰিলোঁ । তাক পঠোৱাৰ ব্যৱস্থা কৰি মই খোজ ললোঁ ।

about to be 10 o'clock. At that time I received a telegram. It (was) sent from the servant's house. Since last few days his father was unwell. It has increased since yesterday. Now (he) is about to die. I fell into a dilemma. Making the arrangement of sending him, I started.

গ্ৰাহক : পৰহি দহমান বজাততো বতৰ বৰ বেয়াকৈ আহিছিল।

Customer : The weather was becoming very bad at about 10 o'clock on the day before yesterday.

মহাজন : এৰা, আকাশ তেতিয়া মেঘাচ্ছন্ন। বৰষুণ আহোঁ আহোঁ। মাজে মাজে বিজুলি আৰু ঢেৰেকনি । ওচৰে পাজৰে ৰিক্সাচিক্সা একো নাই । উপায় নাপাই দৌৰিব ধৰিলোঁ । হেপাই ফেপাই অফিচ পালোঁ । ভাগৰত

Proprietor : Yes, the sky was cloudy at that time. (It) was about to rain. At times lightening & thundering. There was no rickshaw or the like nearby. Finding no other means, I used

Digitized by Google

মোৰ প্ৰাণ যাওঁ যাওঁ।

to run. Breathing frequently I reached office. My life was about to go.

গ্ৰাহক : আপোনাক কওঁ কওঁ বুলিও কথা এষাৰ কব পৰা নাই। ডাঙৰ ল'ৰাটোৰ বিয়া পাতিছোঁ বিয়াৰ মালখিনি আপুনি বাকীকৈ দিব লাগিব।

Coustomer : Having thought of telling you one thing I could not tell yet. (I) have fixed up the marriage of my elder son. You shall have to give the provision of the marriage on credit.

মহাজন : আপোনাক দহোকুৰি প্ৰণাম বাকীৰ কাৰণে নধৰিব। যোৱা সপ্তাহত মোৰ দোকান লুট হ'ল নহয়। কোনো-ৰকম জোৰা তালি দি চলাই আছোঁ।

Proprietor : Salute you 200 times Don't approach me for credit. My shop was looted last month. Somehow I am running the shop with great difficulty.

Substitution Drill

১। আপুনি নিজে মাল জুখিছে যে!

তুমি

তুমি নিজে মাল জুখিছা যে!

Digitized by Google

নিজহাতে

তুমি নিজহাতে মাল জুখিছা যে !

দিছা

তুমি নিজহাতে মাল দিছা যে !

২। অমৃত কলৈ গ'ল ?

কেতিয়া

অমৃত কেতিয়া গ'ল ?

আহিল

অমৃত কেতিয়া আহিল ?

৩। কথা এষাৰ আছে নহয় বোলে বিপদ অকলে নাহে ।

এটা

কথা এটা আছে নহয় বোলে বিপদ অকলে নাহে ।

৪। মোৰ তলে গোবধ ওপৰে ব্ৰহ্মবধ ।

ইফালে-সিফালে

মোৰ ইফালে গোবধ সিফালে ব্ৰহ্মবধ ।

৫। কি হ'ল অলপ ভালকৈ কওকচোন ।

হৈছে

কি হৈছে অলপ ভালকৈ কওকচোন ।

বহলাই

কি হৈছে অলপ বহলাই কওকচোন ।

কোৱাচোন

কি হৈছে অলপ বহলাই কোৱাচোন ।

Digitized by Google

৬। যোৱা পৰহিৰ কথা।

কালিৰ

যোৱা কালিৰ কথা।

সিদিনা

যোৱা সিদিনাৰ কথা।

৭। শুনিলোঁ, মোৰ কেৰোচিনৰ পাৰ্মিট বাতিল কৰিছে।

হৈছে

শুনিলোঁ, মোৰ কেৰোচিনৰ পাৰ্মিট বাতিল হৈছে।

৮। মই চপ্লাই অফিচলৈ ওলাইছোঁ।

ঘৰলৈ

মই ঘৰলৈ ওলাইছোঁ।

বজাৰ

মই বজাৰলৈ ওলাইছোঁ।

তেওঁ

তেওঁ বজাৰলৈ ওলাইছে।

৯। দহ বাজোঁ বাজোঁ।

এঘাৰ

এঘাৰ বাজোঁ বাজোঁ।

বাৰ

বাৰ বাজোঁ বাজোঁ।

১০। এনেতে এখন টেলিগ্ৰাম পালোঁ।

তাঁৰ

এনেতে এখন তাঁৰ পালোঁ।

Digitized by Google

পাওঁ

এনেতে এখন তাঁৰ পাওঁ।

পায়

এনেতে এখন তাঁৰ পায়।

১১। চাকৰ ল'ৰাটোৰ ঘৰৰ পৰা দিয়া।

চাকৰণী

চাকৰণী ছোৱালীজনীৰ ঘৰৰ পৰা দিয়া।

পঠোৱা

চাকৰণী ছোৱালীজনীৰ ঘৰৰ পৰা পঠোৱা।

ছোৱালীজনীলৈ

চাকৰণী ছোৱালীজনীলৈ পঠোৱা।

১২। আজি কেইদিনমানৰ পৰা তাৰ বাপেকৰ অসুখ।

যোৱা

যোৱা কেইদিনমানৰ পৰা তাৰ বাপেকৰ অসুখ।

দুদিনমান

যোৱা দুদিনমানৰ পৰা তাৰ বাপেকৰ অসুখ।

বেমাৰ

যোৱা দুদিনমানৰ পৰা তাৰ বাপেকৰ বেমাৰ।

১৩। কালিৰ পৰা বেছি হৈছে।

পৰহি

পৰহিৰ পৰা বেছি হৈছে।

ভাল

পৰহিৰ পৰা ভাল হৈছে।

Digitized by Google

কমিছে

পৰহিৰ পৰা কমিছে।

১৪। এতিয়া মৰোঁ মৰোঁ।

যাওঁ যাওঁ

এতিয়া যাওঁ যাওঁ।

বৰ্ত্তমান

বৰ্ত্তমান যাওঁ যাওঁ।

১৫। মই চিন্তাত পৰিলোঁ।

অসুবিধা

মই অসুবিধাত পৰিলোঁ।

আমি

আমি অসুবিধাত পৰিলোঁ।

১৬। তাক পঠোৱাৰ ব্যৱস্থা কৰি মই খোজ ললোঁ।

বন্দোবস্ত

তাক পঠোৱাৰ বন্দোবস্ত কৰি মই খোজ ললোঁ।

তাইক

তাইক পঠোৱাৰ বন্দোবস্ত কৰি মই খোজ ললোঁ।

অফিচলৈ গলোঁ

তাইক পঠোৱাৰ বন্দোবস্ত কৰি মই অফিচলৈ গলোঁ।

১৭। পৰহি দহমান বজাততো বতৰ বেয়াকৈ আহিছিল।

কালি

কালি দহমান বজাততো বতৰ বেয়াকৈ আহিছিল।

এঘাৰ

কালি এঘাৰমান বজাততো বতৰ বেয়াকৈ আহিছিল।

Digitized by Google

বেয়া আছিল

কালি এঘাৰমান বজাতভো বতৰ বেয়া আছিল।

১৮। এৰা, আকাশ তেতিয়া মেঘাচ্ছন্ন।

পৃথিৱী

এৰা, পৃথিৱী তেতিয়া মেঘাচ্ছন্ন।

সেই সময়ত

এৰা, পৃথিৱী সেই সময়ত মেঘাচ্ছন্ন।

১৯। বৰষুণ আহোঁ আহোঁ।

পৰোঁ পৰোঁ।

বৰষুণ পৰোঁ পৰোঁ।

২০। মাজে মাজে বিজুলি আৰু ঢেৰেকনি।

বতাহ আৰু বৰষুণ

মাজে মাজে বতাহ আৰু বৰষুণ।

ধুমুহা আৰু শিলাবৃষ্টি

মাজে মাজে ধুমুহা আৰু শিলাবৃষ্টি।

২১। ওচৰে পাজৰে বিক্সাচিক্সা একো নাই।

গাড়ী মটৰ

ওচৰে পাজৰে গাড়ী মটৰ একো নাই।

২২। উপায় নাপাই দৌৰিব ধৰিলোঁ।

নিৰুপায় হৈ

নিৰুপায় হৈ দৌৰিব ধৰিলোঁ।

নিৰুপায়ত পৰি

নিৰুপায়ত পৰি দৌৰিব ধৰিলোঁ।

Digitized by Google

ধৰিছোঁ

নিৰুপায়ত পৰি দৌৰিব ধৰিছোঁ ।

২৩। হেপাঁই ফেপাঁই অফিচ পালোঁ ।

ঘৰ

হেপাঁই ফেপাঁই ঘৰ পালোঁ ।

ওলালোঁ

হেপাঁই ফেপাঁই ঘৰ ওলালোঁ ।

২৪। ভাগৰত মোৰ প্ৰাণ যাওঁ যাওঁ ।

জীউ

ভাগৰত মোৰ জীউ যাওঁ যাওঁ ।

ক্লান্তি

ক্লান্তিত মোৰ জীউ যাওঁ যাওঁ ।

২৫। আপোনাক কওঁ কওঁ বুলিও কব পৰা নাই ।

সোধোঁ সোধোঁ

আপোনাক সোধোঁ সোধোঁ বুলিও সুধিব পৰা নাই ।

জনাওঁ জনাওঁ

আপোনাক জনাওঁ জনাওঁ বুলিও জনাব পৰা নাই ।

মাতোঁ মাতোঁ

আপোনাক মাতোঁ মাতোঁ বুলিও মাতিব পৰা নাই ।

২৬। ডাঙৰ ল'ৰাটোৰ বিয়া পাতিছোঁ ।

সৰু

সৰু ল'ৰাটোৰ বিয়া পাতিছোঁ ।

মাজু

মাজু ল'ৰাটোৰ বিয়া পাতিছোঁ ।

Digitized by Google

ছোৱালী

মাজু ছোৱালীজনীৰ বিয়া পাতিছোঁ।

ঠিক হৈছে

মাজু ছোৱালীজনীৰ বিয়া ঠিক হৈছে।

২৭। বিয়াৰ মালখিনি আপুনি বাকীকৈ দিব লাগিব।

বস্তুখিনি

বিয়াৰ বস্তুখিনি আপুনি বাকীকৈ দিব লাগিব।

গাখীৰখিনি

বিয়াৰ গাখীৰখিনি আপুনি বাকীকৈ দিব লাগিব।

২৮। বাকীৰ কাৰণে নধৰিব।

নকৰ

বাকীৰ কাৰণে নকৰ।

বাবে

বাকীৰ বাবে নকৰ।

২৯। যোৱা সপ্তাহত মোৰ দোকান লুট হ'ল।

মাহত

যোৱা মাহত মোৰ দোকান লুট হ'ল।

চুৰি

যোৱা মাহত মোৰ দোকান চুৰি হ'ল।

ঘৰ

যোৱা মাহত মোৰ ঘৰ চুৰি হ'ল।

৩০। কোনোৰকম জোৰাতালি দি চলাই আছো

প্ৰকাৰ

কোনো প্ৰকাৰ জোৰাতালি দি চলাই আছোঁ।

Digitized by Google

জোৰা তাপলি

কোনো প্ৰকাৰ জোৰা তাপলি দি চলাই আছোঁ।

চলাইছোঁ

কোনো প্ৰকাৰ জোৰা তাপলি দি চলাইছোঁ।

Variation Drill

১। কথা এষাৰ আছে নহয় বোলে বিপদ অকলে নাহে।

বিপদ অকলে নাহে বুলি কথা এষাৰ আছে নহয়।

২। কি হ'ল অলপ ভালকৈ কওকচোন।

অলপ ভালকৈ কওকচোন কি হ'ল।

৩। শুনিলোঁ, মোৰ কেৰাচিনৰ পাৰ্মিট বাতিল হৈছে।

মোৰ কেৰাচিনৰ পাৰ্মিট বাতিল হৈছে বুলি শুনিলোঁ।

Integration Drill

১। এনেতে এখন টেলিগ্ৰাম পালোঁ। চাকৰ ল'ৰাটোৰ ঘৰৰ পৰা দিয়া।

এনেতে চাকৰ ল'ৰাটোৰ ঘৰৰ পৰা দিয়া এখন টেলিগ্ৰাম পালোঁ।

২। তাৰ বাপেকৰ অসুখ। কালিৰ পৰা বেছি হৈছে।

কালিৰ পৰা তাৰ বাপেকৰ অসুখ বেছি হৈছে।

৩। তাৰ বাপেক এতিয়া মৰোঁ মৰোঁ। মই চিন্তাত পৰিলোঁ।

তাৰ বাপেক এতিয়া মৰোঁ মৰোঁ বুলি শুনি মই চিন্তাত পৰিলোঁ।

৪। আকাশ তেতিয়া মেঘাচ্ছন্ন। বৰষুণ আহোঁ আহোঁ।

তেতিয়া মেঘাচ্ছন্ন আকাশৰ পৰা বৰষুণ আহোঁ আহোঁ।

Digitized by Google

৫। ওচৰে পাজৰে বিস্ৰাচিস্ৰা একো নাই। উপায় নাপাই দৌৰিব ধৰিলোঁ।

ওচৰে পাজৰে বিস্ৰাচিস্ৰা একো নাপাই দৌৰিব ধৰিলোঁ।

৬। ডাঙৰ ল'ৰাটোৰ বিয়া পাতিছোঁ। বিয়াৰ মালখিনি আপুনি বাকীকৈ দিব লাগিব।

ডাঙৰ ল'ৰাটোৰ বিয়াৰ মালখিনি আপুনি বাকীকৈ দিব লাগিব।

Additive Drill

(a) Politeness marking 'দেই'।

১। কাকীৰ কাৰণে নধৰিব।

বাকীৰ কাৰণে নধৰিব দেই।

২। আপোনাক কথা এষাৰ কওঁ।

আপোনাক কথা এষাৰ কওঁ দেই।

৩। নকব।

নকব দেই।

৪। কালিৰ পৰা বেছি হৈছে।

কালিৰ পৰা বেছি হৈছে দেই।

(b) Confirmative 'নহয়'।

১। বিপদ অকলে নাহে।

বিপদ অকলে নাহে নহয়।

২। মোৰ কেৰাচিনৰ পাৰ্মিট বাতিল হৈছে।

মোৰ কেৰাচিনৰ পাৰ্মিট বাতিল হৈছে নহয়।

Digitized by Google

৩। তাৰ বাপেকৰ অসুখ।
তাৰ বাপেকৰ অসুখ নহয়।

৪। পৰহি বতৰ বেয়া আছিল।
পৰহি বতৰ বেয়া আছিল নহয়।

৫। বিস্নাচিস্না একো নাই।
বিস্নাচিস্না একো নাই নহয়।

৬। ডাঙৰ ল'ৰাটোৰ বিয়া পাতিছোঁ।
ডাঙৰ ল'ৰাটোৰ বিয়া পাতিছোঁ নহয়।

৭। আপুনি মালখিনি বাকীকৈ দিব লাগিব।
আপুনি মালখিনি বাকীকৈ দিব লাগিব নহয়।

Question-Response Drill

প্ৰশ্ন — মহাজনে কেলেই নিজে মাল জুখিছে ?
উত্তৰ — কাৰণ, অমৃত ঘৰলৈ গৈছে।

প্ৰশ্ন— অমৃত কেলেই ঘৰলৈ গৈছে ?
উত্তৰ— কাৰণ, তাৰ বাপেকৰ অসুখ।

প্ৰশ্ন— কেতিয়াৰ পৰা অমৃতৰ বাপেকৰ অসুখ ?
উত্তৰ— আজি কেইদিনমানৰ পৰা।

প্ৰশ্ন — এতিয়া অমৃতৰ বাপেক কেনে আছে ?
উত্তৰ— এতিয়া অমৃতৰ বাপেক মৰোঁ মৰোঁ।

প্ৰশ্ন— সিদিনা বতৰ কেনে আছিল ?
উত্তৰ— সিদিনা বতৰ বেয়া আছিল।

Digitized by Google

প্ৰশ্ন— বৰষুণ লগত কি আছিল ?

উত্তৰ— বৰষুণ লগত আছিল বিজুলি আৰু ঢেৰেকনি।

প্ৰশ্ন— মহাজন কেনেকৈ চাপ্লাই অফিচলৈ গ'ল ?

উত্তৰ— মহাজন দৌৰি দৌৰি চাপ্লাই অফিচলৈ গ'ল।

প্ৰশ্ন— গ্ৰাহকজনে কিয় বাকী বিচাৰিছে ?

উত্তৰ— কাৰণ তেওঁৰ ডাঙৰ পুতেকৰ বিয়া পাতিছে।

প্ৰশ্ন— মহাজনে বাকী দিব খুজিছে নে ?

উত্তৰ— নাই, মহাজনে বাকী দিব নোৱাৰোঁ বুলি কৈছে।

প্ৰশ্ন— মহাজনে কিয় বাকী দিব নোৱাৰোঁ বুলি কৈছে ?

উত্তৰ— কাৰণ, যোৱা সপ্তাহত তেওঁৰ দোকান লুট হৈছে।

প্ৰশ্ন— এতিয়া তেওঁ কেনেকৈ চলি আছে

উত্তৰ— এতিয়া তেওঁ কোনোবকম জোৰাতালি দি চলি আছে।

EXERCISE

1. Fill in the blanks :

(ক) ভাগৱত প্ৰাণ — — — —।

(খ) সূৰ্য — — — —।

(গ) বৰষুণ — — — —।

(ঘ) এঘাৰ — — — —।

(ঙ) বাপেক এতিয়া — — — —।

(চ) মই — — বুলিও আহিব পৰা নাই।

Digitized by Google

2. Conjoin the sentences as per the model :

Model : তাক পঠোৱাৰ ব্যৱস্থা কৰিলোঁ । তাৰ পিছত মই খোজ ললোঁ । >তাক পঠোৱাৰ ব্যৱস্থা কৰি মই খোজ ললোঁ ।

(ক) মোৰ কেৰাচিনৰ পাৰ্মিট বাতিল কৰিছে বুলি শুনিলোঁ । মই চাপ্লাই অফিচলৈ ওলাইছোঁ ।

(খ) এনেতে এখন টেলিগ্ৰাম পালোঁ । চাকৰ ল'ৰাটোক ঘৰলৈ পঠালোঁ ।

(গ) মই চিন্তাত পৰিলোঁ । বিচাৰ বুদ্ধি হেৰুৱালোঁ ।

(ঘ) ওচৰে পাজৰে আশ্ৰয় লবলৈ ঠাই নাই । সেই দেখি দৌৰিব ধৰিলোঁ ।

(ঙ) কথাটো কওঁ বুলি ভাবিলোঁ । কিন্তু কব নোৱাৰিলোঁ ।

(চ) মহাজনক বাকীৰ কাৰণে ধৰিলোঁ । কিন্তু বাকী নাপালোঁ ।

3. Change into negative :

(ক) আপুনি বাকীকৈ দিব লাগিব ।

(খ) তেখেতৰ দোকান লুট হ'ল ।

(গ) কোনোৰকমে চলাই আছোঁ ।

(ঘ) পৰহি বতৰ বেয়াকৈ আহিছিল ।

(ঙ) মই চিন্তিত হলোঁ ।

(চ) মোৰ কেৰাচিনৰ পাৰ্মিট বাতিল কৰিছে ।

(ছ) তাৰ বাপেকৰ অসুখ ।

4. Add -দেই, -চোন or নহয় at the appropriate place :

(ক) আপুনি অলপ বহলাই কওক ।

(খ) বৰ অধীৰ নহবা ।

(গ) কথা এটা আছে বোলে দুখীয়াইহে দুখ পায় ।

(ঘ) দেউতাই কিন্তু বৰ বেয়া পাব ।

Digitized by Google

In Assamese

(ঙ) মই কালি এশ টকা হেৰুৱাইছোঁ ।

(চ) মোক বাকীৰ বাবে নধৰিব ।

ছ) চাওঁ, কি কৰিব পাৰোঁ ।

5. Complete the conversation.

প্ৰ – মহাজনে কিয় নিজে মাল জুখিছে ?

উ— কাৰণ, অমৃত ... ... ।

প্ৰ— মহাজনৰ কেনে বিপদ ?

উ— মহাজনৰ তলে ... ... ।

প্ৰ— মহাজনে বাকী দিব নোৱাৰে কিয় ?

উ— কাৰণ, ... ।

প্ৰ— মহাজন চাপ্পাই অফিচলৈ কিয় ওলাইছে ?

উ— ... ...

প্ৰ— অমৃত ঘৰলৈ গ'ল কিয় ?

উ— ... ...

প্ৰ – মহাজনে কতাহ বৰষুণৰ মাজেৰে কিয় দৌৰিব লগা হ'ল ?

উ— ... ...

প্ৰ— ... ... ?

উ— কাৰণ, তেওঁ ডাঙৰ পুতেকৰ বিয়া পাতিছে ।

প্ৰ— ... ...?

উ— বাকী দিব নোৱাৰে . কাৰণ, যোৱা সপ্তাহত মহাজনৰ দোকান লুট হ'ল ।

Digitized by Google

Vocabulary

মাল	'goods, provision'
জুখিছে	'you (n-hon.) are weighing'
কথা এযাৰ	'one saying'
বিপদ	'danger'
গোবধ	'cow slaughter'
ব্ৰহ্মবধ	'killing of Brahmin'
বাতিল কৰিছে	'cancelled'
বাজোঁ বাজোঁ	'about to be··· o clock'
পাৰ্মিট	'permit'
টেলিগ্ৰাম	'telegram'
অসুখ	'illness, sickness'
মৰোঁ মৰোঁ	'about to die'
বতৰ	'weather'
আকাশ	'sky'
মেঘাচ্ছন্ন	'cloudy'
বিজুলি	'lightening'
ঢেৰেকনি	'thundering sound'
ওচৰে পাজৰে	'near about'
ৰিক্সাচিক্সা	'rickshaw and the like'
উপায়	'means'
হেপাঁই ফেপাঁই	'having drawn frequent breath'
ভাগৰ	'fatigue'
কওঁ কওঁ বুলি	'thinking to tell'

Digitized by Google

বিয়া	'marriage'
পাতিছোঁ	'(I) have fixed'
দহোকুৰি	'many, 10 scores'
প্ৰণাম	'salute'
বাকী	'credit'
লুট হ'ল	'was looted'
জোৰা তালি দি	'giving patches etc.'

Grammatical Notes

1. গোবধ : Cow slaughter is considered a serious crime. Idiomatically it is used to refer to a serious offence or commitment

2. ব্ৰহ্মবধ : Killing of Brahmin is considered as the most serious crime. It is idiomatically used to refer to more serious offence or commitment. Generally, the whole phrase তলে গোবধ ওপৰে ব্ৰহ্মবধ is used to mean that one is amidst serious offences, danger or commitments,

3. মোৰ ভাগৰত প্ৰাণ যাওঁ যাওঁ has its deep meaning as মোৰ ভাগৰত প্ৰাণ যাওঁ যাওঁ অৱস্থা হৈছে। Similarly the other phrases have deep meaning as follows :

দহ বাজোঁ বাজোঁ means দহ বাজোঁ বাজোঁ হৈছে।
এতিয়া মৰোঁ মৰোঁ means এতিয়া মৰোঁ মৰোঁ অৱস্থা হৈছে।

———

Digitized by Google

Unit XV : Lesson—78

Test Lesson : Kamal Kumar (– a folk tale)

এক ৰজাৰ দুগৰাকী ৰাণী আছিল। সন্তান সন্ততি নথকা বাবে ৰজাই কোনো গৰাকী ৰাণীকে ভাল নাপাইছিল। এদিন এজন সন্ন্যাসী ভিক্ষা কৰিবলৈ ৰজাৰ হাউলীত সোমাল। ভিক্ষা দিবলৈ যোৱা সৰু ৰাণীৰ মধুৰ ব্যৱহাৰত মুগ্ধ হৈ সন্ন্যাসীয়ে সৰু ৰাণীক এটা সুমিষ্ট ফল খাবলৈ দি কলে যে এই ফল খালে সৰু ৰাণী গৰ্ভৱতী হব। সময়ত যি ল'ৰা উপজিব তাৰ জুই, পানী আৰু অস্ত্ৰ একোতে মৰণ নহব; কিংনো তাৰ জীৱটো বৰপুখুৰীৰ বৰ কাছজনীৰ পেটত থকা মুকুতাৰ হাৰডালত থাকিব সেই হাৰডাল কোনোবাই পিন্ধিলে ল'ৰাটো মুচকচ যাব আৰু সোলোকাই থলে পুণৰ বাচি উঠিব।

One king had two queens. Since they did not have children, the king did not like any one of the queens. One day, a Sannyasi entered into the compound of the king for begging alms. Being charmed at the sweet behaviour of the younger queen who came to give alms the Sannyasi gave her a sweet fruit to eat and told that if she (would) take that fruit, the younger queen shall become pregnant. The son, who will be born at the right time, shall not die in fire, water or weapon; because, his life shall be in the heart-chain contained in the womb of big tortoise in the big tank. If that chain

Digitized by Google

is worn by some one, the boy shall loose sense and if it is put off, he will survive.

সন্ন্যাসী-দত্ত ফল খাই সৰু ৰাণীয়ে যথা সময়ত এটি ল'ৰা প্ৰসৱ কৰিলে, যাৰ নাম ৰখা হ'ল কমল কুমাৰ। কমল কুমাৰ জন্মাৰ পাছত সৰু ৰাণীৰ প্ৰতি ৰজাৰ আদৰ বঢ়িলত ডাঙৰ ৰাণীৰ চকু পুৰিবলৈ ধৰলে। পেটে পেটে কমল কুমাৰক মাৰিবৰ উপায় চিন্তিব ধৰিলে।

Eating the fruit. given by the Sannyasi, the younger queen delivered a son, who had been named as Kamal Kumar. After the birth of Kamala Kumar the king became more affectionate towards the younger queen for which the elder queen became jealous. Silently, she used to find the means to kill Kamalkumar.

লহপহকৈ বাঢ়ি অহা কমল কুমাৰে হাঁহ, পাৰ, ছাগলী আদি পুহিবলৈ ধৰিলে ডাঙৰ মাকৰ চোতাললৈ আহ-লেই সিবোৰক বান্ধি থোৱা হ'ল। ডাঙৰ মাকে তাৰবাবে কমল কুমাৰক গালি গালাজো পাৰে।

Having grown up luxuriantly, Kamal Kumar used to keep duck, pigeon, goat etc When they came to elder mother's courtyard, she used to tie up them The elder mother even scolds Kamal Kumar for this.

এদিন ডাঙৰ মাকে কমল কুমাৰক মাতি নি আদৰ সাদৰ কৰি কলে, "বোপাই, তোৰ জীউভো ক'ত আছে এই কথা যদি কৰ, মই তোৰ পাৰ ছাগলী একোকে বান্ধি নথওঁ।"

One day elder mother called Kamal Kumar and showing her love, told, "my dear, if you tell me where remains your life, I won't

Digitized by Google

tie up any of your pigeon, goat etc. ."

কমল কুমাৰে সুধিলে, "কিয় ডাঙৰ মা, মোৰ জীউটো জানো মোৰ বুকুৰ ভিতৰতে নাই ?"

Kamal Kumar asked, "Why, elder Mamy, is my life not there within my chest ?"

ডাঙৰ মাকে নাই বুলি জনাই কলে, "তোৰ জীউটো ক'ত আছে জানিলেহে তোৰ কেতিয়াবা বিপদ হলে মই তোক বচাব পাৰিম।"

Responding negatively the elder mother told, "I could save you when you would be in danger provided I could know where your life would remain."

পিছদিনা মাকক সুধি তাৰ জীউটো ক'ত আছে জানিলৈ কমল কুমাৰে ডাঙৰ মাকক কলেহি । ডাঙৰ মাকে তাক ভালকৈ খুৱাই মেলি পঠাই দিলে।

Next day, having asked the mother, Kamal Kumar knew where remained his life and informed the elder mother. The elder mother entertained him well and sent home.

সময় দুপৰীয়া। জেঠমহীয়া ৰ'দে খাওঁ খাওঁ মূৰ্ত্তি ধাৰণ কৰিছে । হঠাতে হুৰা দুৰা লাগিল। ডাঙৰ ৰাণীৰ হাড় ভগা ৰোগ হৈছে। বেজে কওঁ নকওঁকৈ কলে বোলে বৰকাছৰ কলিজাৰ আগম-ভহেৰে তেওঁ দিয়া দৰব খালেহে যদি

Noon time. The sun in the month of May-June was very much scorching. Suddenly started a hue & cry. The elder queen has been attacked by bone-breaking

Digitized by Google

In Assamese

বাণী বাচে। কথা শুনি ৰজাই আদেশ দিলে যে জাল, পল, জুলুকি, জাকৈ লৈ যিয়ে যেনেকৈ পাৰে বৰ কাছ ধাৰব লাগে। কথামতে কাম। বৰ কাছ ধৰা হ'ল লগে লগে কমল কুমাৰ মাটিত ঢলি পৰিল। বৰ বাণীৰ চোতালত উঠা আনন্দৰ খলকণিত সৰু বাণীৰ বুকুভৰা কান্দোন তল পৰিল। মাজতে এবাৰ ৰজাই হুকুম জাৰি কৰিলে যে সৰু বাণীৰ হাউলিৰ কন্দাকটা মুহূৰ্ত্তে বন্ধ হব লাগে।

disease. The physician hesitantly told that if the medicine given by him was taken with the lever of a big tortoise the queen might survive. Hearing this the king ordered that with the (available) fishing traps anybody by any means should catch the big tortoise. Action followed words. The big tortoise has been caught. Immediately Kamal Kumar fell down on the ground. In the trumpet of joy in the courtyard of the elder queen the heart-touching crying of the younger queen became insignificant. Once in middle the king passed orders that the crying in the compound of the younger queen uld stop in a moment.

Test Items

1. Give short answers :

(ক) সৰু বাণীয়ে কেনেকৈ এটা পুত্ৰ সন্তান লাভ কৰিলে ?

Digitized by Google

(খ) কমল কুমাৰৰ জীৱনৰ বৈশিষ্ট্য কি ?

(গ) ডাঙৰ ৰাণী কি কাৰণে ঈৰ্ষাত কাতৰ হ'ল ?

(ঘ) ল'ৰালিত কমল কুমাৰে কি কৰিবলৈ ভাল পাইছিল ?

(ঙ) ডাঙৰ মাকে কি সৰ্ত্তত কমল কুমাৰৰ পাৰ, ছাগলী আদি বান্ধি নথব বুলি কলে ?

(চ) ডাঙৰ ৰাণী হঠাৎ অসুস্থ হৈ পৰাৰ তাৎপৰ্য কি ?

(ছ) বেজে দৰবৰ লগত কি অনুপান দিলে ?

(জ) কমল কুমাৰ কিয় মাটিত ঢলি পৰিল ?

(ঝ) সিদিনা বতৰ কেনেকুৱা আছিল ?

(ঞ) ৰজাই সৰু ৰাণীলৈ কি হুকুম জাৰি কৰিলে ?

2. Fill in the blanks :

(ক) ভিক্ষা দিবলৈ — — সৰু ৰাণীৰ ব্যৱহাৰত সন্তুষ্ট — — সন্ন্যাসীয়ে সৰু ৰাণীক এটা ফল খ'বলৈ দিলে।

(খ) সেই হাৰডাল কোনোবাই পিন্ধিলে ল'ৰাটো — — যাব আৰু — — থলে পুণৰ বাচ উঠিব।

(গ) যথা সময়ত সৰু ৰাণীয়ে এটা ল'ৰা — — কৰিলে।

(ঘ) সৰু ৰাণীলৈ ৰজাৰ — — বাঢ়িলত ডাঙৰ ৰাণীৰ — — —— ধৰিলে।

(ঙ) "তোৰ জীউটো ক'ত আছে যদি — — মই তোৰ পাৰ বান্ধি নথওঁ"

(চ) জেঠমহীয়া ৰ'দে — — —— মূৰ্ত্তি ধাৰণ কৰিছে।

(ছ) বৰ কাছৰ কলিজাৰ — — ঔষধ খালেহে ডাঙৰ ৰাণী বাচিব।

(জ) জাল, — — জুলুকি, — — লৈ যিয়ে যেনেকৈ পাৰে বৰ কাছ ধৰিব লাগে।

Digitized by Google

(ঝ) কমল কুমাৰ মাটিত — — পৰিল।

(ঞ) ৰজাই হুকুম জাৰি কৰিলে যে সক ৰাণীৰ হাউলীৰ — — — — মুহূৰ্ত্ততে বন্ধ হব লাগে।

3. Give the corresponding feminine form :

ডাঙৰ ল'ৰা, মতা, বলদ, সি, ডেকা, খুৰা, দেউতাক, ৰজা।

4. Give the opposites :

ডাঙৰ, ওচৰ, হাঁহি, নগদ, তল, বেছি, বেয়াকৈ, সন্দেহ, দীঘল, চাপৰ, পাছত, উচিত, সন্তুষ্ট, নাই, কৰিব, নোৱাৰা, মিঠা, দামী, সহজ।

5 Give the other compenant to form the echo word/onomatopia/semantic reduplication.

ওচৰ — —; ৰিক্সা— —; টকা— —; শাক— —; সতি— —; বজাৰ— —; চাহ— —; জনা— —; হেপাঁই— —; জোৰা— —; গালি— —; আদৰ— —; হুৰা— —; কন্দা— —; কাম—।

6. Form verbal-nouns from the following verb-roots and use them in sentences :

সাৰ—, মাজ—, খীৰা—, এৰাল দে—, সন্দেহ কৰ—, কান্দ—, খা—, শো—, বিয়া পাত, পঠা—।

7. Transform the following sentences into complex sentences using যেতিয়া, যিটো।

(ক) ডেকাই আনিদিয়া ল'ৰাটো বিশ্বাসী।

Digitized by Google

(খ) হেৰোৱা আঙঠিটো আতালত পোৱা গ'ল।

(গ) মালিকে লিখা শেহতীয়া উপন্যাসখনে একাডেমী বটা পালে।

(ঘ) সতি সন্ততি নথকা বজাই কোনোজনী ৰাণীকে ভাল নাপাইছিল।

(ঙ) বান্ধি থোৱা পাৰটো ডাঙৰ ৰাণীয়ে এৰি দিলে।

(চ) পাথৰ লগোৱা আঙঠি হেৰাল।

8. Express each sentence in two simple sentences :

(ক) যোৱামাহত ছালৰ পৰা পৰি তাৰ কোমৰ ভাগিল।

(খ) ডেকাই ল'ৰা এটা বিচাৰি আনি গাজ'ৰকাক চমজাই দিলে।

(গ) সি চোলাপেণ্ট সলাই কামত লাগি গ'ল।

(ঘ) উপায় আপাই হেৰিব ধৰিলে

(ঙ) কোনোৰকম জোৰাতালি দি চলি আছো

(চ) পিছদিনা মাকক সুধি জানি লৈ কমল কুমাৰে ডাঙৰ মাকক কলে।

(ছ) বেজে চাই ঔষধ দিলে।

(জ) মাজে মাজে চাকৰটোক ঘৰত এৰি আটায়ে বাহিৰ ওলায়।

9. Replace the underlined phrases by one word each :

(ক) পাথৰ লগোৱা আঙঠি এটা নোহোৱা হ'ল।

(খ) তেখেতৰ চাকৰ এটা নহলেই নহয়

(গ) তেতিয়াৰ পৰা কামৰন কৰিব নোৱাৰা হ'ল।

(ঘ) সি ঘৰৰ সকলো কথাকে চন্তালি চলে

(ঙ) আপুনি বাকীখিনি পৰিশোধ নকৰাটো উচিত হোৱা নাই।

(চ) সতিসন্ততি নথকা কাৰণে ৰজাৰ মনত বৰ দুঃখ।

Digitized by Google

10. Combine each pair of sentences and express in a simple sentence.

(ক) তাক পঠোৱাৰ ব্যৱস্থা কৰিলোঁ । তাৰ পাছত অফিচলৈ খোজ ললোঁ ।

(খ) সক ৰাণী ভিক্ষা দিবলৈ গ'ল । তেওঁৰ ব্যৱহাৰত সন্ন্যাসী মুগ্ধ হ'ল ।

(গ) ডেকাই এটা কামকৰা ল'ৰা আনিলে । তেওঁ ল'ৰাটো হাজৰিকাক চমজাই দিলে ।

(ঘ) ল'ৰাটো পুৱাই উঠে । নোকোৱাকৈয়ে ঘৰৰ সকলো কামবন কৰে ।

(ঙ) আতালত নিগনিয়ে কাপোৰ কুটিছিল । তাৰ মাজত আঙঠিটো পোৱা গ'ল ।

(চ) তাক সম্পূৰ্ণৰূপে বিশ্বাস কৰিছা । সেইটো ঠিক হোৱা নাই ।

11. Split each sentence into as many simple sentences as you can :

(ক) মীনুৰ মাকেও কয়, তাক এনেকৈ এৰি দিয়াটো ঠিক হোৱা নাই ।

(খ) মোৰ কেৰাচিনৰ পাৰ্মিট বাতিল হৈছে শুনি চাপ্লাই অফিচলৈ ওলালোঁ ।

(গ) এদিন ডাঙৰ মাকে তাক মাতি নি আদৰ সাদৰ কৰি কলে, "বোপাই, তোৰ জীউটো ক'ত আছে এই কথা যদি কৰ, মই তোৰ পাৰ, ছাগলী একো বান্ধি নথওঁ ।"

(ঘ) সি পুৱাই উঠি বাচন মজা, ঘৰ সৰা, গোবৰ পেলোৱা আদি কাম কৰো ।

(ঙ) পাঁচ বজাত ঘূৰি গৈ দেখোঁ সি নাই ।

(চ) ভিক্ষা দিবলৈ যোৱা সক ৰাণীৰ ব্যৱহাৰত মুগ্ধ হৈ সন্ন্যাসীয়ে সক ৰাণীক এটা সুমিষ্ট ফল খাবলৈ দি কলে যে এই ফল খালে সক ৰাণী গৰ্ভৱতী হব ।

Digitized by Google

(ছ) সন্ন্যাসীদত্ত ফল খাই সক ৰাণীয়ে যথা সময়ত এটা সন্তান প্ৰসৱ কৰিলে যাৰ নাম ৰখা হ'ল কমল কুমাৰ।

Vocabulary

ৰাণী	'queen'
সতিসন্ততি	'issues'
ভাল নাপাইছিল	'did not like'
ভিক্ষা	'alms'
মধুৰ	'sweet, pleasant'
ব্যৱহাৰ	'behaviour'
মুগ্ধ	'charmed'
সুমিষ্ট	'sweet'
গৰ্ভৱতী	'pregnant'
উপজিব	'will be born'
অস্ত্ৰ	'weapon'
মৰণ	'death'
জীৱ	'life'
কাছ	'tortoise'
পেট	'belly, stomach'
মুকুতা	'pearl'
মূৰ্খ	'senseless'

Digitized by Google

In Assamese

সোলোকাই	'having put off'
প্ৰসৱ	'delivery'
আদৰ	'affection'
চকু পুৰিবলৈ	'to become jealous'
উপায়	'means'
পেটে পেটে	'silently'
লহ পহকৈ	'luxuriantly'
হাঁহ	'duck'
ছাগলী	'goat'
বান্ধি থোৱা	'to tie up'
গালি গালাজ	'scolding'
বুকু	'chest'
বিপদ	'danger'
বচাব	'to save'
দুপৰীয়া	'noon'
হুৱা দুৱা	'hue & cry'
বেজ	'physician
কলিজা	'liver'
দৰব	'medicine'
জাল	'net'
জুলুকি, পল, জকাই	'fishing instruments'
ঢলি পৰিল	'fell down'

Digitized by Google

চোতাল	'courtyard'
খলকনি	'sound of agitated water'
হুকুম	'order'
হাউলী	'compound'
মুহূর্ত্ত	'moment'

———

Digitized by Google

Y OF MICHIGAN
3 9015 05670 7105

Digitized by Google

Digitized by Google